# BELIEVERS EASTERN CHURCH

## ৰখীয়াৰ পত্ৰ

AS /02/April-May/2025

মোৰ প্ৰিয় ৰখীয়াসকল আৰু পবিত্ৰ মণ্ডলীৰ সকলো বিশ্বাসীসকলৈ,

আমাৰ প্ৰভু আৰু ত্ৰাতা যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ, দয়া আৰু শান্তি আপোনালোকৰ ওপৰত হওক ।☩আমেন।

আজি মই আপোনালোকক আমাৰ মণ্ডলীৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ মুহূৰ্তৰ সৈতে চিনাকি কৰাব বিচাৰোঁ: আমাৰ ধন্য স্মৃতিৰ মেট্ৰপলিটান পিতৃ আথানাচিয়াচ্ছ যোহান ১-ৰ দেহাৱসানৰ প্ৰথম বাৰ্ষিকী স্মৃতি। ২০২৫ চনৰ ৮ মে’ তাৰিখে তেওঁ অনন্তবিশ্ৰামলৈ যোৱাৰ এবছৰ পূৰ্ণ হ’ব।

তেওঁৰ পৃথিৱীৰ পৰা বিদায় লোৱাটো আমাৰ মণ্ডলীৰ বাবে নিশ্চিতভাৱে কঠিন, তথাপি আমি তেওঁৰ স্মৃতি জীয়াই ৰাখিবলৈ সৌভাগ্যবান। মই আপোনালোকক মৰমেৰে অনুৰোধ জনাওঁ—তেওঁৰ জীৱনৰ আদৰ্শক অনুসৰণ কৰিবলৈ, তেওঁৰ দিয়া শিক্ষা মতে জীয়াই থাকিবলৈ, তেওঁ আৰম্ভ কৰা কাম চলাই নিবলৈ আৰু পৰৱৰ্তী প্ৰজন্মলৈ ইয়াক হস্তান্তৰ কৰিবলৈ। এই দায়িত্ব আমাৰ বাবে বোজা নহয়, বৰঞ্চ এক মহান আনন্দ আৰু সন্মান—যি আমি উৎসাহ আৰু নিষ্ঠাৰে গ্ৰহণ কৰিব লাগে।

আমাৰ ধন্য স্মৃতিৰ মেট্ৰপলিটান পিতৃ আথানাচিয়াচ্ছ যোহান ১-ৰ প্ৰথম বাৰ্ষিকী স্মৃতিচাৰণ পবিত্ৰ মণ্ডলীয়ে প্ৰস্তুতি চলাইছে। আমি সকলোৱে হৃদয় আৰু মনৰ সহিত এই পবিত্ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব লাগিব। এক মণ্ডলী হিচাপে একেলগে আমাৰ আত্মিক পিতৃৰ জীৱন আৰু অৱদানৰ বাবে প্ৰাৰ্থনা আগবঢ়োৱা আৰু সৰ্বশক্তিমান ঈশ্বৰক ধন্যবাদ জ্ঞাপন কৰা। অনুগ্ৰহ কৰি এই স্মৃতি দিৱসক কেৱল চাৰি দেওৱালৰ মাজত সীমাবদ্ধ নৰাখিব। বৰঞ্চ, আমাৰ ধন্য স্মৃতিৰ মেট্ৰপলিটান পিতৃয়ে দেখুৱাই থৈ যোৱা আৰু শিক্ষা দিয়াৰ দৰে—জগতৰ অভাৱগ্ৰস্ত লোকসকলক প্ৰেম আৰু সহানুভূতিৰে সেৱা আগবঢ়োৱাৰ দ্বাৰা তেওঁৰ স্মৃতিক কাৰ্য্যত পৰিণত কৰিবলৈ এক পদক্ষেপ লওক।

মই আপোনালোকৰ আত্মিক পিতৃ হিচাপে, আমাৰ ধন্য স্মৃতিৰ মেট্ৰপলিটান পিতৃৰ জীৱনশৈলীৰ মূল দিশসমূহৰ ফালে আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ, যাতে আমি কেৱল এই নিৰ্দিষ্ট দিনটোতে নহয়, প্ৰতিদিনে সেইবোৰত জীয়াই থাকিব পাৰোঁ :

১. দয়া আৰু দানৰ কৰ্ম: আমাৰ পৰলোকপ্ৰাপ্ত পিতৃৰ দুখীয়া, ৰোগী আৰু উপেক্ষিতসকলৰ বাবে হৃদয় ভগ্ন হৈছিল, আৰু তেওঁ খ্ৰীষ্টৰ দৰে তেওঁলোকক প্ৰেম কৰিবলৈ ত্যাগ স্বীকাৰ কৰিছিল। তেওঁৰ স্মৃতিত, — দান-বৰঙণি দিয়াৰ দ্বাৰা হওক অথবা ৰোগীসকলক পৰিদৰ্শণ কৰা, অথবা আপোনাৰ সমাজত সৰু সৰু সহায়, দয়াকাৰ্য কৰাৰ দ্বাৰা অভাৱগ্ৰস্তসকলৰ ওচৰ চাপিবলৈ মই আপোনালোকক অনুৰোধ জনাওঁ।

২. দৈনিক প্ৰাৰ্থনা আৰু চিন্তা-চৰ্চা : আমাৰ পৰলোকপ্ৰাপ্ত পিতৃয়ে মণ্ডলীক অহৰহ প্ৰাৰ্থনা কৰিবলৈ আৰু "যীচু প্ৰাৰ্থনা"ক দৈনন্দিন জীৱনৰ অংশ কৰিবলৈ উৎসাহিত কৰিছিল। ব্যক্তিগত ভক্তি, পৰিয়ালৰ প্ৰাৰ্থনা, ঐশ্বৰিক আৰাধনাবিধিত উপস্থিতি, আৰু যীচু প্ৰাৰ্থনাৰ দ্বাৰা আমি গভীৰ প্ৰাৰ্থনাময় জীৱনলৈ অগ্ৰসৰ হবলৈ আহক আমি সঙ্কল্প লওঁহক।

৩. মণ্ডলী আৰু সমাজৰ সেৱা : আমাৰ পৰলোকপ্ৰাপ্ত পিতৃয়ে পবিত্ৰ মণ্ডলীক সমস্ত হৃদয়েৰে ভাল পাইছিল আৰু ইয়াক গঢ়ি তুলিবলৈ অক্লান্তভাবে সেৱা আগবঢ়াইছিল। তেওঁ সদায় কৈছিল, "মণ্ডলীৰ কথা চিন্তা কৰক"। আমাৰ মণ্ডলীৰ বিকাশ আৰু সমাজৰ কল্যাণৰ বাবে আমাৰ সময় আৰু প্ৰতিভা আগবঢ়োৱাৰ দ্বাৰা আহক আমি তেওঁৰ কাম অব্যাহতভাৱে আগোৱাই নিওঁ। মণ্ডলীৰ অনুষ্ঠানসমূহত সহায় কৰা , মণ্ডলীৰ পৰিচৰ্যাত সমৰ্থন কৰা, আৰু শুভবাৰ্তা সম্প্ৰসাৰণত সহযোগ কৰাৰ দ্বাৰা আমাৰ বাবে অসংখ্য সৰু-ডাঙৰ সুযোগ আছে।

৪. ভৱিষ্যত প্ৰজন্মৰ বাবে বিশ্বাস সংৰক্ষণ : আমাৰ পৰলোকপ্ৰাপ্ত পিতৃয়ে শিশুসকলক ভাল পাইছিল আৰু সদায় তেওঁলোকক অগ্ৰাধিকাৰ দিছিল। ৰবিবৰীয়া স্কুল, বিলিভাৰ্চ যুৱ সমাজ, মহিলা সহভাগিতা, ধৰ্মশিক্ষা, প্ৰাৰ্থনা, আৰু এক আদৰ্শ জীৱন যাপনৰ জৰিয়তে পৰৱৰ্তী প্ৰজন্মলৈ পবিত্ৰ মণ্ডলীৰ জীৱন হস্তান্তৰ কৰিবলৈ অঙ্গীকাৰবদ্ধ হওঁ। আহক আমি সুনিশ্চিত কৰোঁ যে যি বিশ্বাসে আমাৰ পৰলোকপ্ৰাপ্ত পিতৃক ধৰি ৰাখিছিল আৰু মণ্ডলীক আকাৰ দিলে সিয়েই আমাৰ ভৱিষ্যত প্ৰজন্মকো আগুৰি ৰাখিব আৰু আকাৰ দিব।

প্ৰিয়সকল, মই আপোনালোকক কেৱল শ্ৰোতা নহয়, কাৰ্য্যকৰ্তা হ'বলৈ অনুৰোধ জনাওঁ। আমাৰ মণ্ডলীৰ পিতৃ, ধন্য স্মৃতিৰ মেট্ৰপলিটান আথানাচিয়াছ যোহান ১-ৰ জীৱনশৈলীক হৃদয়েৰে গ্ৰহণ কৰোঁ আহক।

আৰু মনত ৰাখিব, আমি যীচুৰ হাত, মুখ আৰু ভৰি হ'বলৈ আহ্বান পাইছোঁ—অন্যক সেৱা কৰিবলৈ আৰু খ্ৰীষ্টৰ প্ৰতিমূৰ্তি প্ৰতিফলিত কৰিবলৈ, যি আমাৰ অন্তৰত সঞ্চাৰিত হৈছে। খ্ৰীষ্টৰ দৰে হৈ থাকোঁ আহক।

তেওঁৰ স্মৃতি অমৰ হওক!

পবিত্ৰ ত্ৰিত্ব—পিতৃ, পুত্ৰ, আৰু পবিত্ৰ আত্মাই নিজৰ অপাৰ অনুগ্ৰহ আৰু দয়াৰে আমাক পথপ্ৰদৰ্শন কৰক; সকলো সাধুসকল আৰু পবিত্ৰ মাতৃ থিয়টোকোসৰ মধ্যস্থতাই ঈশ্বৰৰ সিংহাসনৰ সমুখত আমাৰ বাবে সুৰক্ষা হ'ব, এতিয়া আৰু সদায় ☩ আমেন।

পিতৃসুলভ মৰম আৰু প্ৰাৰ্থনাৰ সৈতে,

তাৰিখ : ১৫ এপ্ৰিল, ২০২৫

মৰান মৰ চামুৱেল থিয়'ফিলাছ মেট্ৰপলিটান

স্থান : বিশ্ব মণ্ডলীৰ মুখ্য কাৰ্যালয়

বিঃদ্ৰঃ অনুগ্ৰহ কৰি নিশ্চিত হওক যে এইটো সকলো আঞ্চলিক ভাষালৈ অনুবাদ কৰা হয় আৰু বিশ্বাসীসকলৰ উৎসাহৰ বাবে সকলো পাৰিচতে পঢ়া হয়।